# অসম চৰকাৰ
# উপায়ুক্তৰ কাৰ্য্যালয় ঃঃঃঃ গোলাঘাট

## জাননী

ইয়াৰ দ্বাৰাই গোলাঘাট জিলাৰ প্ৰধান মন্ত্ৰী কৃষক সন্মান নিধি (PMKISAN) আঁচনিখনৰ হিতাধিকাৰী সকলক জনোৱা যায় যে, বৰ্ত্তমান উক্ত আঁচনিখনৰ পুনৰীক্ষণৰ কাম চলি আছে। এই পুনৰীক্ষণৰ সময়ত কিছু সংখ্যক হিতাধিকাৰীৰ শুদ্ধ আৰু সম্পূৰ্ণ ঠিকনা নথকাৰ বাবে সত্যাসত্য নিৰূপন কৰিব পৰা হোৱা নাই। সেইবাবে আসোঁৱাহ সমূহ দূৰ কৰিবৰ বাবে এনে হিতাধিকাৰী সকলৰ তালিকা গোলাঘাট জিলাৰ NIC ৱেবছাইট লিংক golaghat.gov.in ত প্ৰকাশ কৰা হৈছে। যদি হিতাধিকাৰী সকলে তালিকাখনত নিজৰ নাম সন্নিৱিষ্ট হোৱা দেখা পায় তেন্তে ওপৰত উল্লেখিত লিংকৰ পৰা আবেদন পত্ৰ (Annexure-III) সংগ্ৰহ কৰি যাৱতীয় নথি-পত্ৰৰ লগতে গাঁও-প্ৰধানৰ পৰা প্ৰকৃত খেতিয়ক হোৱাৰ প্ৰমাণ পত্ৰ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত দাখিল কৰিবলৈ অনুৰোধ জনোৱা হ'ল। এই জাননী জাৰি হোৱাৰ ২১ দিনৰ ভিতৰত আবেদন নকৰিলে তেনে হিতাধিকাৰীক অযোগ্য বুলি বিবেচনা কৰা হ'ব।

**আবেদন পত্ৰৰ সৈতে জমা দিবলগীয়া নথি-পত্ৰৰ তালিকা ঃ**

(১) আধাৰ কাৰ্ড/ভোটাৰ পৰিচয় পত্ৰ/চালকৰ প্ৰমাণ পত্ৰ/পান কাৰ্ড/ৰেচন কাৰ্ড/পাৰপত্ৰৰ ফটোকপি

(২) মাটিৰ জমাবন্দী/খাজানা ৰচিদৰ ফটোকপি।

(৩) বেংক পাছবুকৰ প্ৰথম পৃষ্ঠাৰ ফটোকপি।

উপায়ুক্ত
গোলাঘাট জিলা